Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



দশম শ্রেণীৰ বাবে

ইতিহাস

পাঠ - ২

মহাত্মা গান্ধী আৰু ভাৰতৰ স্বাধীনতা সংগ্রাম

অংশ – ৩

অনামিকা দাস

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আইন অমান্য আন্দোলন, ১৯৩০-৩৪

- আইন অমান্য আন্দোলনৰ প্ৰধান কাৰণ আছিল বৃটিছ চৰকাৰৰ দ্বাৰা চাইমন কমিছন গঠন।
- এই কমিছনত বৃটিছ সংসদৰ সদস্যহে অন্তৰ্ভুক্ত হৈছিল।
- ৰাজনৈতিক সংগঠনবোৰে ভাৰতীয় প্ৰতিনিধি নথকা বাবে ইয়াক অগ্ৰাহ্য কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- লালা লাজপত ৰায়ৰ নেতৃত্বত চাইমন কমিচনৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ হৈছিল।
- প্ৰতিবাদকাৰীক 'লাঠি চালনা' কৰা হৈছিল।
- লাজপত ৰায় গুৰুতৰভাৱে আহত হয় আৰু পৰৱৰ্তী সময়ত তেওঁৰ মৃত্যু হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ছাইমন কমিছনৰ বিৰুদ্ধে প্ৰতিবাদী সমদল

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সম্পূৰ্ণ স্বাধীনতাৰ দাবী বা পূৰ্ণ স্বৰাজৰ দাবী —

- ১৯২৯ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত কংগ্রেছৰ লাহোৰ অধিৱেশনত সম্পূৰ্ণ স্বাধীনতাক ভাৰতীয়ৰ মুখ্য লক্ষ্য হিচাপে ঘোষণা কৰা হয়।
- ফলস্বৰূপে ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনটো সমগ্র দেশতে স্বাধীনতা দিৱস হিচাপে পালন কৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ৰাজনৈতিক দল আৰু সামাজিক সংগঠনসমূহে আয়োগৰ বিৰোধিতা কৰাৰ ফলত ১৯২৮ চনৰ ৩ ফেব্ৰুৱাৰীত বংগত ধৰ্মঘটৰ আৰম্ভ হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মতিলাল নেহৰুৱে ভাৰতৰ বাবে এখন সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ দায়িত্ব গ্ৰহণ কৰি এখন প্ৰতিবেদন দাঙি ধৰিছিল।
- ভাৰতীয় জাতীয় কংগ্ৰেছে নেহৰু প্ৰতিবেদন গ্ৰহণ কৰিবলৈ চৰকাৰক হেঁচা প্ৰয়োগ কৰে।
- ১৯২৮ চনত কংগ্ৰেছৰ কলিকতা অধিবেশনে ভাৰতক ডমিনিয়নৰ মৰ্যাদা প্ৰদান নকৰিলে আইন অমান্য আন্দোলন আৰম্ভ কৰিব বুলি ব্ৰিটিছ চৰকাৰক সকীয়াই দিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৯২৯ চনত লাহোৰ কংগ্ৰেছত সিদ্ধান্ত লোৱা হয় যে কংগ্ৰেছৰ লক্ষ্য হৈছে ভাৰতৰ বাবে পূৰ্ণ স্বৰাজ বা সম্পূৰ্ণ স্বাধীনতা লাভ কৰা।
- ফলস্বৰূপে ১৯৩০ চনৰ ২৬ জানুৱাৰীত ভাৰতত 'পূৰ্ণ স্বৰাজ দিৱস' পালন কৰা হয়।
- ১৯৩০ চনৰ ৩১ জানুৱাৰীত গান্ধীয়ে ভাইচৰয় লৰ্ড আৰউইনক বিভিন্ন দাবীৰ তালিকাৰে এখন পত্ৰ প্ৰেৰণ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দাবীৰ তালিকাখনত আছিল —

- মাদক দ্ৰব্য ব্যৱহাৰত নিষেধাজ্ঞা।
- টকা আৰু ষ্টাৰ্লিঙৰ অনুপাতৰ পৰিৱৰ্তন।
- ভূমি ৰাজহৰ হাৰ হ্ৰাস।
- নিমখৰ কৰ বিলুপ্ত কৰা।
- সামৰিক ব্যয় হ্ৰাস কৰা।
- অসামৰিক প্ৰশাসনৰ ব্যয় হ্ৰাস।
- বিদেশী কাপোৰৰ ওপৰত সীমা শুল্ক আৰোপ কৰা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ডাৰ্ক সংৰক্ষণ বিল গ্ৰহণ কৰা।
- অপৰাধ তদন্ত বিভাগ বিলুপ্ত কৰা।
- সকলো ৰাজনৈতিক বন্দীক মুকলি কৰি দিয়া
- আত্মৰক্ষাৰ বাবে সাধাৰণ নাগৰিকক অস্ত্ৰ ৰখাৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গান্ধীয়ে স্পষ্টকৈ উল্লেখ কৰিছিল যে যদি সেই ১১টা দাবী আওকাণ কৰা হয়, তেন্তে দেশে আইন অমান্য আন্দোলনৰ কার্যসূচী গ্রহণ কৰিব।
- ১৯৩০ চনৰ গান্ধীৰ লোণ সত্যাগ্রহৰ জড়িয়তে আইন অমান্য আন্দোলনৰ আৰম্ভ হৈছিল। যাক দণ্ডি যাত্রা বুলি জনা যায়।
- ১৯৩০ চনৰ ১২ মার্চত এই যাত্রাৰ আৰম্ভণি হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সেইদিনা গান্ধীয়ে তেওঁৰ কিছুমান অনুগামীৰ সৈতে আহমেদাবাদৰ সাবৰমতী আশ্রমৰ পৰা দাণ্ডি নামৰ ঠাইলৈ গমন কৰে।
- পঁচিশ দিন যাত্রা কৰি ৩৮৫ কিলোমিটাৰ দূৰত্ব অতিক্রম কৰি ১৯৩০ চনৰ ৬ এপ্রিলত দাণ্ডি উপস্থিত হয়।
- ইয়াত গান্ধীয়ে নিজে নিমখ বনাই ব্রিটিছ চৰকাৰৰ ওচৰত প্রত্যাহ্বান জনায় লোণ আইন বিৰুদ্ধে প্রতিবাদ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



গান্ধী দাণ্ডি যাত্রা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গান্ধী-আৰউইন চুক্তি, ১৯৩১

- ১৯৩১ চনৰ ৫ মাৰ্চত মহাত্মা গান্ধী আৰু ভাৰতৰ ভাইচৰয় লৰ্ড আৰউইনৰ মাজত চুক্তি হয়।

চুক্তিখনৰ মূল চৰ্তসমূহ—

- হিংসাত্মক ঘটনাত দোষী সাব্যস্ত নোহোৱা সকলো বন্দীক মুকলি কৰি দিয়া।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- অসংগ্রিহীত জৰিমনা ৰেহাই।
- জব্দ কৰা মাটি ঘূৰাই দিয়া (এতিয়াও তৃতীয় পক্ষক বিক্রী কৰা হোৱা নাই)।
- উপকূলীয় গাঁৱত খোৱাৰ বাবে নিমখ তৈয়াৰ কৰাৰ অধিকাৰ প্রদান।
- শান্তিপূর্ণ আৰু অহিংস ধর্মঘট কৰাৰ অনুমতি প্রদান।
- কংগ্রেছে আন্দোলন স্থগিত কৰে।
- পৰৱর্তী ঘূৰণীয়া মেজমেলত অংশগ্রহণৰ ইংগিত প্রদান।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দ্বিতীয় ঘূৰণীয়া মেজমেল, ১৯৩১



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সন্মিলনত ভাৰতীয় জাতীয় কংগ্রেছৰ একমাত্র প্রতিনিধি আছিল মহাত্মা গান্ধী।

ফলাফল —

- পৃথক নির্বাচন মণ্ডলী তৈয়াৰ কৰা বা বিভিন্ন সম্প্রদায়ৰ নামত আসন সংৰক্ষণৰ ওপৰত কোনো সিদ্ধান্ত লোৱা হোৱা নাছিল।
- গান্ধীজীৰ হতাশ মনেৰে ভাৰতলৈ প্রত্যাৱর্তন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আইন অমান্য আন্দোলনৰ পুনৰ আৰম্ভ, ১৯৩২

- ১৯৩২ চনত আই অমান্য আন্দোলনৰ পুনৰ আৰম্ভ হয়।
- আন্দোলন আৰম্ভ হোৱাৰ পূৰ্বে গান্ধী আৰু কংগ্ৰেছৰ সভাপতি বল্লভভাই পেটেলক গ্ৰেপ্তাৰ।
- চৰকাৰে বলপূৰ্বক কংগ্ৰেছৰ কাৰ্যালয় দখল কৰিলে।
- সংবাদ মাধ্যমৰ স্বাধীনতা কৰ্তন।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- জাতীয়তাবাদী সাহিত্যৰ ওপৰত নিষেধাজ্ঞা জাৰিকৰণ।
- ১৯৩৩ চনৰ মে' মাহত আন্দোলন স্তিমিত হৈছিল আৰু ১৯৩৪ চনৰ মে' মাহত সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হয়।

মূল্যায়ন





১) আইন অমান্য আন্দোলনৰ প্ৰধান কাৰণ লিখা।

২) গান্ধী আৰউইন চুক্তিৰ কেতিয়া হৈছিল?